# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 10-08-2025

**Time :** 0755  Hrs

## *Assamese Morning Bulletin*

oooooooo

স্বাধীনতা দিৱসৰ পূৰ্বে উজনি অসমৰ ৫ খন জিলা ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউৰ গুৰুত্বপূৰ্ণ স্থানৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিবলৈ যোৱানিশা ডিব্ৰুগড়ৰ আৰক্ষী অতিথি শালাত এখন উচ্চ স্তৰীয় পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত তেলৰ পাইপ লাইন, ৰে   ’লপথ বৃহৎ দলং আৰু অন্য গুৰুত্বপূৰ্ণ সম্পত্তিসমূহৰ সুৰক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। একেদৰে দেশৰ শক্তিখণ্ডত উজনি অসমত গুৰুত্বৰ কথা বিবেচনা কৰি অইল ইণ্ডিয়া লিমিটেডৰ খাদ আৰু পাইপ লাইন আদিৰ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হয়। এই  পুনৰীক্ষণ বৈঠকত ৰাজ্যিক আৰক্ষী বাহিনী আৰু কেন্দ্ৰীয় সুৰক্ষা সংস্থাসমূহৰ মাজত সমন্বয়ৰ প্ৰটকলসমূহক লৈও আলোচনা কৰা হয়। বৈঠকত স্বাধীনতা দিৱসৰ সময়ছোৱাত উগ্ৰপন্থী সংগঠনসমূহে চলাব পৰা কূটাঘাতৰ আশংকা কৰি ৰে     ’ল কৰ্তৃপক্ষক মুখ্য ৰে’লপথ আৰু গুৰুত্বপূৰ্ণ ষ্টেচনসমূহত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা কৰিবলৈ কোৱা হয়। বৈঠকত আৰক্ষীৰ সুৰক্ষা মহাপৰিদৰ্শক ইমদাদুল হুছেইন বৰাই অধ্যক্ষতা কৰে।

ooooo

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি সাংসদ গৌৰৱ গগৈয়ে কালি তিনিচুকীয়াত উপস্থিত হৈ মটক ৰজা সৰ্বানন্দ সিংহ, বীৰ ৰাঘৱ মৰাণক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তাৰপাছতেই সাংসদগৰাকীয়ে গোলাপ চন্দ্ৰ-ৰবি চন্দ্ৰ নাট্য মন্দিৰত অনুষ্ঠিত এখন কংগ্ৰেছৰ যোগদান সভাত অংশগ্ৰহণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি কোনো এটা কামেই কৰিব নোৱাৰিলে বুলি বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ কয়, যে জনজাতিকৰণ, চাহ বাগিচাত বিনামূলীয়া বিজুলী যোগান, বিশুদ্ধ খোৱাপানী যোগান আদি বিষয়সমূহ চালেই বৰ্তমানৰ চৰকাৰখনে কি কাম কৰিছে সেয়া স্পষ্ট হৈ পৰে। উল্লেখযোগ্য যে, গৌৰৱ গগৈৰ উপস্থিতত তিনিচুকীয়াত ৩ শতাধিক লোকে কংগ্ৰেছত যোগদান কৰে। যোগদান সভাৰ পাছতেই সাংসদ গগৈয়ে শদিয়াৰ প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ বাসগৃহলৈ যায়।

ooooo

তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষানে কালি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। বিধায়কগৰাকীয়ে সকলোকে নিজ নিজ কৰ্মক্ষেত্ৰত সফলতা কামনা কৰি উ ৎসাহ প্ৰদান কৰে। তেওঁ

কয়, যে কাৰোবাক এই ক্ষেত্ৰত প্ৰশিক্ষণ বা পৰামৰ্শৰ আৱশ্যক হ 'লে তাৰো ব্যৱস্থা কৰা হ'ব। অনুষ্ঠানত জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মহাপ্ৰৱন্ধক, জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, তিনিচুকীয়া জিলাত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান আঁচনিৰ প্ৰথম পৰ্যায়ত ১২শ ৬ জন হিতাধিকাৰী নিৰ্বাচিত হৈছে। তেওঁলোকে ইতিমধ্যে প্ৰথম কিস্তিত বিভিন্ন উদ্যমিতাৰ প্ৰকল্পৰ বাবদ ১ লাখ টকা লাভ কৰিছে।

ooooo

তিনিচুকীয়া কেন্দ্ৰীয় কৰম সন্মিলনৰ প্ৰস্তুতি সন্দৰ্ভত কালি বিধায়ক সঞ্জয় কিষাণৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাখনত এই সন্মিলন সন্দৰ্ভত বিতংভাৱে আলোচনা কৰাৰ লগতে বিধায়ক সঞ্জয় কিষাণক সভাপতি আৰু অনুজ তাঁতীক সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হয়। উল্লেখযোগ্য যে অহা ৫ আৰু ৬ ছেপ্তেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জিলাখনৰ চলিহা নগৰ খেলপথাৰত এই সন্মিলন অনুষ্ঠিত হব।

ooooo

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিক পুনৰ সেউজ কৰি তোলাৰ লক্ষ্যৰে সোণাৰি বিলত বন বিভাগৰ উদ্যোগত কালিৰে পৰা গছপুলি ৰোপণ আৰম্ভ কৰা হৈছে। বনানিকৰণৰ জৰিয়তে বনাঞ্চলৰ ভূমি ৰক্ষা কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰে সকলোকে আহ্বান জনাই ছে। উল্লেখযোগ্য যে, যোৱা ৩০ জুলাইৰ পৰা চলি থকা এই উচ্ছেদ অভিযানত অঞ্চলটোৰ ১০ হাজাৰ বিঘাৰো অধিক ভূমি দখলমুক্ত কৰা হৈছিল। সোণাৰি বিলত আৰম্ভ কৰা এই গছপুলি ৰোপণ অভিযান অন্যান্য উচ্ছেদিত ভূমিলৈও সম্প্ৰসাৰণ কৰা হ 'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে। কালি এই উপলক্ষে আয়োজিত কাৰ্যসূচীত বিশেষ মুখ্য সচিব এম. কে. যাদৱ, জিলাখনৰ আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। আজি ১৫ হাজাৰ উৰিয়াম গছৰ পুলি ৰোপণ কৰা হয়। বিশেষ মুখ্য সচিব শ্ৰীযাদৱে এই অনুষ্ঠানত কয়, যে এই পুনৰুদ্ধাৰ কৰা ভূমিত ২৩ ছেপ্টেম্বৰ পৰ্যন্ত গছপুলি ৰোপণ চলি থাকিব। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তই এই কাৰ্যসূচীক উৰিয়ামঘাটৰ বাবে নতুন আৰম্ভণি বুলি অভিহিত কৰি অহা ৫ বছৰৰ ভিতৰত অঞ্চলটো পৰ্যটনৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ব বুলিও আশা প্ৰকাশ কৰে।

ooooo

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছ পৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি চিলাপথাৰত অনুষ্ঠিত সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ ধেমাজি জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ মুকলি সভাত অংশগ্ৰহণ কৰিয়েই মন্ত্ৰীগৰাকীয়ে নতুন শিক্ষা নীতি আৰু ২১ শতিকাৰ দক্ষতা ভিত্তিক শিক্ষাৰ প্ৰাসংগিকতাৰ ওপৰত মত বিনিময় কৰে আৰু ইয়াৰ ভিত্তিত শিক্ষাৰ্থীসকলক আগবঢ়াই লৈ যাবলৈ সকলোকে আহ্বান জনায়।

ooooo

ধেমাজি জিলাৰ চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত আৰ্চিপথাৰৰ **৫১৫** নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন লোক নিহত হোৱাৰ লগতে এজন গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি জোনাই অভিমুখী দুখন তীব্ৰবেগী বাইকৰ মুখামুখি সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। আহত আৰোহীজনক কালি সংকটজনক অৱস্থাত স্থানীয় চিকিতসালয়লৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষীয়ে বৰ্তমান তদন্ত অব্যাহত ৰাখিছে।

০০০০০

## সমাপ্ত